# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ৩৪/২০২০

## অসম ভাওনা সমাৰোহত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## মাজুলীৰ পৰাই বিশ্বই শান্তি আৰু আধ্যাত্মিকতাৰ বাণী আহৰণ কৰিব পাৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ জানুৱাৰী ঃ** মাজুলীৰ আউনিআটি সত্ৰৰ উদ্যোগত মণিকাঞ্চন ৰংগ ক্ষেত্ৰত আয়োজিত অষ্টম বাৰ্ষিক অসম ভাওনা সমাৰোহত আজি সন্ধিয়া অংশ গ্ৰহণ কৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এই ভাওনা সমাৰোহখনিৰ আজি দশম নিশা যোৰহাটৰ নিমাতিৰ ডেকাগিৰি সাংস্কৃতিক সংঘই প্ৰদৰ্শন কৰা 'ধ্ৰুৱ চৰিত্ৰ' ভাওনাখন মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰাৰ লগতে কিছু অংশ উপভোগ কৰে।

ভাওনা উদ্বোধন কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মাজুলীৰ পৰাই বিশ্বই শান্তি আৰু আধ্যাত্মিকতাৰ বাণী আহৰণ কৰিব পাৰে। আধ্যাত্মিক চিন্তা-চেতনা আৰু সম্প্ৰীতিৰ প্ৰগাঢ় ভাৱনাৰে সদা বিধৌত পৱিত্ৰ ভূমি মাজুলী। এই খন মাজুলীৰ বুকুত জন্মগ্ৰহণ কৰা প্ৰতিজন ব্যক্তিয়েই ভাগ্যৱান। মুখ্যমন্ত্ৰীয়ে কয় যে বৈষ্ণৱ প্ৰাণ ৰাইজ, ভকত বৈষ্ণৱৰ সমাৱেশে আউনিআটি সত্ৰৰ মণিকাঞ্চন ৰংগমঞ্চত গঢ়া আধ্যাত্মিক পৰিৱেশত অংশ গ্ৰহণ কৰিবলৈ পাই নিজে ধন্য হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে মাজুলীত সত্ৰাধিকাৰ সকলৰ সান্নিধ্য-আশিষ লাভ কৰিবলৈ তেওঁ সুবিধা পাইছে।

সত্ৰাধিকাৰ সকলৰ মাৰ্গদৰ্শন আৰু সত্ৰ সমূহে প্ৰদান কৰা আধ্যাত্মিক বাতাবৰণে আমাক মানসিক শান্তি দিয়ে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আধ্যাত্মিক চিন্তা চেতনাৰ পৰা আহৰণ কৰা নিৰ্মল আনন্দই শান্তি দিয়ে। অসমৰ ১২৬ গৰাকী বিধায়কৰ মাজত তেওঁৱে একমাত্ৰ এই সৌভাগ্য আহৰণ কৰিবলৈ পাইছে বুলিও কয়। মুখ্যমন্ত্ৰীয়ে কয় যে মাজুলীৰ আধ্যাত্মিক পৰিৱেশ আৰু সত্ৰাধিকাৰ সকলৰ আদৰ্শৰে আমি এখন সুন্দৰ সমাজ গঢ়িব পাৰো। ভক্তিভাৱৰ যোগেদি সমাজত শান্তি প্ৰতিষ্ঠা কৰিব পৰা যায় বুলি সত্ৰ সমূহে দেখুৱাই আহিছে। ভক্তিভাৱ, আধ্যাত্মিকতা আৰু প্ৰমূল্যৰ আধাৰত গঢ়া এখন সমাজেই আদৰ্শ সমাজ বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ভাওনাৰ জৰিয়তে আমাৰ উঠি অহা প্ৰজন্মই সংস্কৃতিক জীয়াই ৰখাৰ লগতে নিজৰ মন, মগজু, শৰীৰকো জীপাল কৰি ৰাখিব পাৰে।

আজিৰ এই ভাওনা প্ৰদৰ্শন উদ্বোধন উপলক্ষে আয়োজিত সভাত সাংসদ প্ৰদান বৰুৱা, আউনিআটি সত্ৰৰ সত্ৰাধিকাৰ ড° পিতাম্বৰ দেৱগোস্বামী, ডেকা সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামী উপস্থিত থাকে।

**ৰাঃবঃ /পুঃডেঃ / বীঃগঃ**
**২৮/০১/২০২০**